**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-08-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ ঘনিষ্ঠ মিত্ৰ আৰু স্বাভাৱিক সহযোগী বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। কেন্দ্ৰীয় চৰকাৰে ভাৰতীয় নাগৰিকসকলক পৰিস্থিতি সুস্থিৰ নোহোৱালৈকে নেপাল ভ্ৰমণ এৰাই চলিবলৈ পৰামৰ্শ আগবঢ়াইছে।

৩। অনুপ্ৰৱেশকাৰী বহিষ্কাৰৰ ক্ষেত্ৰত ১৯৫০ চনৰ অসমৰ পৰা অনুপ্ৰৱেশকাৰী বহিষ্কৰণ আইনখন কঠোৰভাৱে বলৱৎ কৰাৰ বাবে অসম মন্ত্ৰীসভাই এছ অ' পিত অনুমোদন জনাইছে।

৪। ইজৰাইলে দোহাত আক্ৰমণ কৰাক লৈ ভাৰতে গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। **আৰু**

৫। এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি ভাৰত ইউ এ ইৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

oooo

ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ ঘনিষ্ঠ মিত্ৰ আৰু স্বাভাৱিক সহযোগী বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। শ্ৰীমোদীয়ে আজি সামাজিক মাধ্যমযোগে কয় যে উভয় দেশৰ মাজৰ বাণিজ্যিক আলোচনাই ভাৰত-আমেৰিকা সহযোগিতা অপৰিসীম সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিব। তেওঁ কয় যে দুয়ো পক্ষৰ দলে শীঘ্ৰে আলোচনা সমাপ্ত কৰাৰ বাবে কাম কৰি আছে। প্ৰধানমন্ত্ৰীয়ে দুয়োখন দেশৰ জনসাধাৰণৰ বাবে উজ্বল আৰু সমৃদ্ধিশালী ভৱিষ্যৎ সুনিশ্চিত কৰাৰ বাবে ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পৰ সৈতে কাম কৰাৰ সুযোগ লাভ কৰিব বুলি আশা প্ৰকাশ কৰিছে। ইয়াৰ আগেয়ে ৰাষ্ট্ৰপতি ট্ৰাম্পে কয় যে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ভাৰতে উভয় দেশৰ মাজৰ বাণিজ্যিক বাধা দূৰ কৰাৰ বাবে আলোচনা চলাই যাব। oo

ooooo

কেন্দ্ৰীয় চৰকাৰে ভাৰতীয় নাগৰিকসকলক পৰিস্থিতি সুস্থিৰ নোহোৱালৈকে নেপাল ভ্ৰমণ এৰাই চলিবলৈ পৰামৰ্শ আগবঢ়াইছে। কেন্দ্ৰীয় চৰকাৰে এলানি পৰামৰ্শৰ জৰিয়তে নেপালত থকা ভাৰতীয় নাগৰিকসকলক বৰ্তমানৰ স্থানতে থাকিবলৈ, ঘৰৰ বাহিৰ নুলাবলৈ আৰু সতৰ্কতা বৰ্তাই ৰাখিবলৈ কৈছে। তেওঁলোকক লগতে সেই দেশৰ স্থানীয় কৰ্তৃপক্ষ তথা কাঠমাণ্ডুত থকা ভাৰতীয় দুতাবাসে জাৰি কৰা সুৰক্ষা পৰামৰ্শ মানি চলিবলৈ পৰামৰ্শ দিয়া হৈছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে এয়াৰ ইণ্ডিয়া আৰু ইণ্ডিগ'কে ধৰি ভাৰতীয় বিমান পৰিবহন সংস্থাসমূহে নেপালৰ ৰাজধানী কাঠমাণ্ডুলৈ বিমান সেৱা সাময়িকভাৱে বন্ধ কৰিছে।

ooooo

নেপালৰ শেহতীয়া ঘটনাক্ৰম সম্পৰ্কে আলোচনা কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত কালি সুৰক্ষা বিষয়ক কেবিনেট কমিটিৰ এখন বৈঠক অনুষ্ঠিত হয়। প্ৰধানমন্ত্ৰীয়ে নেপালৰ হিংসাক হৃদয় বিদাৰক বুলি অভিহিত কৰিছে। নেপালত কেইবাগৰাকীয়ো যুৱক-যুৱতীৰ মৃত্যুক লৈ ক্ষোভ প্ৰকাশ কৰি শ্ৰীমোদীয়ে কয় যে নেপালৰ সুস্থিৰতা, শান্তি আৰু সমৃদ্ধি অতিকে গুৰুত্বপূৰ্ণ । তেওঁ লগতে নেপালৰ নাগৰিকসকলক শান্তিৰ প্ৰতি সমৰ্থন আগবঢ়াবলৈ আহ্বান জনায়।

০০০০০

নেপালৰ সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি চিকিম চৰকাৰে গুৰুত্বপূৰ্ণ অঞ্চলসমূহত পহৰা আৰু তালাচী অভিযান তীব্ৰতৰ কৰি তুলিছে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে ছৰেং আৰু জ্ঞালচিং জিলাৰ শীৰ্ষ বিষয়াসকলক সীমান্ত সুৰক্ষা বাহিনীৰ সৈতে যুটীয়াভাৱে পহৰা আৰু তালাচী অভিযান চলোৱাৰ উপৰি পৰিস্থিতি নিৰন্তৰ নীৰিক্ষণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। সকলো সীমান্ত চকীত বিশেষকৈ ৰংপো, মেল্লী আৰু ৰেচীত কোনো লোকে যাতে অনাধিকাৰ প্ৰৱেশ কৰিব নোৱাৰে সেই ক্ষেত্ৰত বিশেষভাৱে সতৰ্কতা অৱলম্বন কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। আৰক্ষী সকলো বাহনতে তালাচী চলাবলৈয়ো নিৰ্দেশ দিয়া হৈছে।

০০০০০

উত্তৰ প্ৰদেশ চৰকাৰে নেপালৰ বৰ্তমানৰ সংকটলৈ চাই চুবুৰীয়া ৰাষ্ট্ৰখনৰ সীমান্তবৰ্তী সকলো জিলাত অহৰ্নিশে সতৰ্কতা জাৰি কৰিছে। সীমামূৰীয়া জিলাসমূহত সুৰক্ষা ব্যৱস্থা সুদৃঢ় কৰাৰ বাবে অতিৰিক্ত আৰক্ষী বাহিনী নিয়োগ কৰা হৈছে। নেপালত আবদ্ধ হৈ থকা ভাৰতীয় নাগৰিকসকলক সহায় কৰাৰ বাবে লক্ষ্ণৌৰ আৰক্ষী মুখ্য কাৰ্যালয়ত আইন-শৃংখলা শাখাৰ এটা বিশেষ নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হৈছে।

০০০০০

অনুপ্ৰৱেশকাৰী বহিষ্কাৰৰ ক্ষেত্ৰত ১৯৫০ চনৰ অসমৰ পৰা অনুপ্ৰৱেশকাৰী বহিষ্কৰণ আইনখন কঠোৰভাৱে বলৱৎ কৰাৰ বাবে অসম মন্ত্ৰীসভাই এছ অ' পিত অনুমোদন জনাইছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকে অনুমোদন দিয়া এই এছ অ' পি অনুসৰি যদি জিলা আয়ুক্তই আৰক্ষী বা আন কোনো উৎসৰ পৰা এজন ব্যক্তি অনুপ্ৰৱেশকাৰী বুলি সন্দেহৰ তথ্য লাভ কৰে, তেন্তে সেই ব্যক্তিজনক ১০ দিনৰ ভিতৰত নাগৰিকত্ব প্ৰমাণ কৰিবলৈ নিৰ্দেশ দিব পাৰিব। যদি ব্যক্তিজনে ভাৰতীয় নাগৰিকত্ব প্ৰমাণৰ পৰ্যাপ্ত তথ্য দাখিল কৰিব নোৱাৰে তেন্তে জিলা আয়ুক্তই নিজা মতামত নথিভুক্ত কৰিব পাৰিব। তদুপৰি ১৯৫০ চনৰ অসমৰ পৰা অনুপ্ৰৱেশকাৰী বহিষ্কৰণ আইনৰ ২ নম্বৰ (ক) ধাৰা অনুসৰি জিলা আয়ুক্তই অনুপ্ৰৱেশকাৰীজনক ২৪ ঘণ্টাৰ সময় দি বহিষ্কাৰৰ নিৰ্দেশ দিব পাৰিব। জিলা আয়ুক্তৰ নিৰ্দেশনাৰ পাছতো অনুপ্ৰৱেশকাৰী ব্যক্তি নিজে আঁতৰি নগ'লে, তেন্তে আয়ুক্তই সংশ্লিষ্ট জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ সহায়ত অনুপ্ৰৱেশকাৰীজনক শিবিৰত ৰখাৰ ব্যৱস্থা কৰিব পাৰিব। অথবা সমীপৱৰ্তী সীমান্তৰক্ষী বাহিনীক গতাই দিব পাৰিব। কালি অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ পাছত মুখ্যমন্ত্ৰী ড০ শৰ্মাই এখন সংবাদমেল সম্বোধন কৰি কয়, যে উচ্চতম ন্যায়ালয়ৰ সাংবিধানিক বিচাৰপীঠৰ ৰায়ৰ ওপৰত ভিত্তি কৰি কেবিনেটে অসমত প্ৰথমবাৰৰ বাবে বিদেশী ন্যায়াধীকৰণ ব্যৱস্থা একাষৰীয়া কৰি ১৯৫০ চনৰ অসমৰ পৰা অনুপ্ৰৱেশকাৰী বহিষ্কৰণ আইন ব্যৱহাৰৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। ইয়াৰ জৰিয়তে বিদেশী বহিষ্কৰণ প্ৰক্ৰিয়াটো দ্ৰুত হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰিছে।

এন আৰ চিত কোনো লোকৰ নাম থাকিলেই তেওঁ স্বদেশী হৈ নাযায় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে এন আৰ চিৰ জৰিয়তে নাগৰিকত্ব প্ৰমাণিত নহ'ব বুলি উচ্চতম ন্যায়ালয়ে স্পষ্ট কৰি দিছে। ১৯৫০ চনৰ অসমৰ পৰা অনুপ্ৰৱেশকাৰী  বহিষ্কৰণ আইনখনৰ সৈতে এন আৰ চিৰ কোনো সম্পৰ্ক নাই বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে কয়।

০০০০০০০

ভাৰতে দোহাত ইজৰাইলে আক্ৰমণ কৰাক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰি ইজৰাইলক সংযত হ'বলৈ আৰু কূটনীতিৰে কাম কৰিবলৈ আহ্বান জনাইছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এই সন্দৰ্ভত এটা বিবৃতিত কয় যে এই আক্ৰমণৰ ফলত এই খণ্ডৰ নিৰাপত্তা পৰিস্থিতিক লৈ নতুন দিল্লীয়ে উদ্বেগ প্ৰকাশ কৰিছে। ভাৰতে লগতে এই খণ্ডৰ শান্তি আৰু সুৰক্ষা অটুত ৰখাটো সুনিশ্চিত কৰাৰ বাবে সংযতভাৱে কূটনৈতিক ব্যৱস্থাৰে কাম কৰিবলৈ আহ্বান জনাইছে বুলি বিবৃতিটোত উল্লেখ কৰা হৈছে। উল্লেখযোগ্য যে ইজৰাইলী সেনাই হামাছৰ শীৰ্ষ নেতাক লক্ষ্য কৰি কাটাৰৰ ৰাজধানী দোহাত কালি আক্ৰমণ চলায়। ইজৰাইল প্ৰতিৰক্ষা বাহিনী আৰু ইজৰাইলৰ আভ্যন্তৰীণ সুৰক্ষা বাহিনী **চিন বেটে** এই আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰিছে।

০০০০০০

কৰ্মচাৰী, ৰাজহুৱা ওজৰ আপত্তি নিষ্পত্তি ড০ জিতেন্দ্ৰ সিঙে পেঞ্চন সম্পৰ্কীয় ওজৰ আপত্তি নিষ্পত্তিৰ ক্ষেত্ৰত অধিক নাগৰিক কেন্দ্ৰীক দৃষ্টি-ভংগীৰ পোষকতা কৰিছে। নতুন দিল্লীত আজি চতুৰ্দশ সৰ্বভাৰতীয় পেঞ্চন আদালতত অধ্যক্ষতা কৰি মন্ত্ৰীগৰাকীয়ে এইবিষয়ে প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে পেঞ্চলভোগীসকলৰ বিভিন্ন সমস্যাৰ সমাধান আৰু তেওঁলোকৰ আৱশ্যকতা পূৰণ কৰাটো  পেঞ্চনাৰসকলৰ নহয় বৰং সংশ্লিষ্ট বিভাগসমূহৰ দায়িত্ব হোৱা উচিত। তেওঁ লগতে পেঞ্চন আদালতত ভাগ লোৱা বিভিন্ন বিভাগক ভৱিষ্যতে ঘটনাৰ পুনৰাবৃত্তি ৰোধ কৰাৰ বাবে ওজৰ আপত্তি নিষ্পত্তিৰ পাছতো মতামত গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। তথ্য আৰু নথি পত্ৰ পৰীক্ষা কৰাৰ বাবে কৃত্ৰিম বুদ্ধিমত্তা চালিত আহিলা-পাতিৰ ব্যৱহাৰে ওজৰ আপত্তি নিষ্পত্তিৰ প্ৰক্ৰিয়া দ্ৰুত কৰি তুলিব আৰু মানৰ শক্তিক ৰাহি কৰিব বুলি তেওঁ মন্তব্য কৰে। মন্ত্ৰীগৰাকীয়ে কয যে যোৱা ১১ বছৰত প্ৰযুক্তি আকোৱালি লোৱাৰ বাবে ওজৰ আপত্তি নিষ্পত্তিৰ সময় আৰু অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলে পেঞ্চন লাভ কৰাত বিলম্ব হোৱাৰ ঘটনা  হ্ৰাস পাইছে ।

০০০০০

আজি বিশ্ব আত্মহত্যা প্ৰতৰোধী দিৱস। সমাজৰ পৰা আত্মহত্যাৰ ব্যাধী নিৰ্মূল কৰাৰ উদ্দেশ্যে প্ৰতিবছৰে ১০ ছেপ্তেম্বৰৰ দিনটোসমগ্ৰ বিশ্বতে বিভিন্ন কাৰ্যসূচীৰে এই দিৱস পালন কৰা হয়। মৰিবলৈ বা নিজকে মাৰিবলৈ ইচ্ছা প্ৰকাশ কৰা, আত্মহত্যাৰ প্ৰস্তুতি বা পৰিকল্পনাৰ গুসষয়ে আলোচনা কৰা, অত্যধিক অপৰাধৰোধ বা লাজ অনুভৱ কৰা, সামাজিক মাধ্যমত মৰিব বিচৰা বা নিৰাশাবাদী মতামত প্ৰকাশ কৰা, আগতে উপভোগ কৰা কাম-কাজৰ প্ৰতি অনীহা প্ৰকাশ কৰা আদি আত্মহত্যা প্ৰৱণতাৰ লক্ষণ হ'ব পাৰে।

০০০০০

এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি ভাৰতে  আয়োজক দেশ সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ ইউ এ ইৰ বিৰুদ্ধে হ'বলগীয়া খেলেৰে অভিযান আৰম্ভ কৰিব। গ্ৰুপ-এৰ এই খেলখন ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত খেলোৱা হ'ব। খেলখন নিশা ৮ বজাত আৰম্ভ হ'ব।

ইপিনে আবু ধাবিত যোৱা নিশা অনুষ্ঠিত প্ৰতিযোগিতাৰ উদ্বোধনী খেলখনত আফগানিস্তানে হংকঙক ৯৪ ৰানৰ বিশাল ব্যৱধানত পৰাস্ত কৰে।

গ্ৰুপ-বিৰ এই খেলখনত প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ আফগানিস্তানে নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ১৮৮ ৰান সংগ্ৰহ কৰে।

প্ৰত্যুত্তৰত হংকঙে নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ৯৪ ৰানহে কৰিবলৈ সক্ষম হয়। দলটোৰ হৈ বাবৰ হায়াতে সৰ্বাধিক ৩৯ ৰানৰ বৰঙণি আগবঢ়ায়। ০০০০০